অধ্যায় ১ ঃ অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি
১.৪ জাতি — জাতিৰ ধাৰণা, অসমীয়া জাতি
১.৫ অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান
১.৫.১ নৃতাত্ত্বিক দৃষ্টিভংগীৰে অসমত জাতি গঠনৰ স্বৰূপ
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি সম্পর্কে জ্ঞাত হ'ব
- জাতি— জাতিৰ ধাৰণা আৰু অসমীয়া জাতি বুলিলে কি বুজা যায় সেই বিষয়ে অৱগত হ'ব
- ভাৰতীয় মানুহৰ মাজত থকা নৃ-গোষ্ঠীয় প্রজাতিৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমৰ ঐতিহাসিক আৰু ভৌগোলিক অৱস্থিতিৰ সম্পর্কে অৱগত হোৱাৰ লগতে অসমীয়া জাতি গঠনৰ স্বৰূপৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব।

১.২ পৰিচয়

এইটো অসমীয়া সংস্কৃতি শীর্ষক পাঠ্যবিষয়ৰ প্রথম অধ্যায়। অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ সম্পর্কে আলোচনা কৰাৰ পূর্বে আমি অসম নামৰ উৎপত্তি আৰু অসমীয়া জাতিৰ বিষয়ে কিছু কথা আলোচনা কৰাৰ প্রয়োজনীয়তা আছে। সেয়ে এইটো অধ্যায়ত উল্লিখিত বিষয় সম্পর্কে চমুকৈ আলোকপাত কৰা হ'ব। আপুনি নিশ্চয় জানে যে অসম ভাৰতবর্ষৰ পূব প্রান্তত অৱস্থিত এখন ঠাই বা ৰাজ্য। অসমীয়া জাতি অতি প্রাচীন জাতি, কিন্তু 'অসম' নামটো অতি বেচি পুৰণি নহয়। অসমক আগতে 'কামৰূপ' আৰু 'প্রাগ্‌জ্যোতিষপুৰ'হে বোলা হৈছিল। এই নামৰ উল্লেখ বিভিন্ন পুৰণি মহাকাব্য, পুৰাণ আদিত পোৱা যায়। অসমীয়া জাতি অলেখ প্রজাতি-উপজাতিৰ


সংমিশ্রণেৰে গঠিত। এনে সংমিশ্রণৰ ফলতেই অসমৰ জনগোষ্ঠীসমূহৰ মাজত এক সুকীয়া অৱয়ৱিক বৈশিষ্ট্য পৰিলক্ষিত হয়।

এই অধ্যায়টোত আমি 'অসম' নামৰ উৎপত্তি আৰু ইয়াৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে আলোচনা কৰিম। তদুপৰি সাম্প্রতিক সময়ত সৃষ্টি হোৱা 'জাতি'ৰ ধাৰণাৰ আধাৰত অসমীয়া জাতি গঠন প্রক্রিয়া সম্পর্কে আলোচনা কৰা যাব। অসমত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ নৃতাত্ত্বিক বিশ্লেষণো অধ্যায়টিত আগবঢ়োৱা হ'ব। অধ্যায়টো অধ্যয়ন কৰি আপুনি উল্লিখিত দিশকেইটাৰ সম্যক ধাৰণা লাভ কৰিব।

১.৩ প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ আৰু অসম নামৰ উৎপত্তি

'অসম' বুলি ক'লে বর্তমান আমি ২৪°৮´ - ২৭°৫৮´ উত্তৰ অক্ষাংশ আৰু ৮৯°৫০´ - ৯৬°১´ পূব দ্রাঘিমাংশত অৱস্থিত ভূখণ্ডৰ কথাই বুজি পাওঁ। ২০১১ চনৰ ভাৰত চৰকাৰৰ লোকপিয়ল অনুসৰি ইয়াৰ মাটি কালি ৭৮,৪৩৮ বর্গ কিলোমিটাৰ আৰু মুঠ জনসংখ্যা ৩১,২০৫,৫৭৬ জন। আচলতে ভৌগোলিকভাৱে সীমা নির্দ্ধাৰণ কৰিব পৰাকৈ কোনো ধৰণৰ প্রাকৃতিক সীমা এই ভূখণ্ডত দেখা পোৱা নাযায়। ইয়াত লিপিবদ্ধ এই সীমা ৰাজনৈতিকভাৱেহে নির্ণয় কৰা হৈছে। বর্তমান এই ভূখণ্ডৰ পূবে আছে অৰুণাচল প্রদেশ, নগালেণ্ড আৰু মণিপুৰ; পশ্চিমে মেঘালয়, বাংলাদেশ আৰু পশ্চিমবংগ; উত্তৰে অৰুণাচল প্রদেশ আৰু ভূটান; দক্ষিণে মিজোৰাম আৰু ত্রিপুৰা। ভৌগোলিক অৱস্থানৰ দৃষ্টিৰে চালে অসম ৰাজ্যখন উত্তৰ সমমণ্ডলত অৱস্থিত আৰু ইয়াৰ ভূভাগ পাহাৰ অৰণ্যৰে আবৃত আৰু জলভাগ নদী-নিজৰাৰে বিস্তৃত। অসমৰ চাৰিওফালে সেউজীয়া উচ্চ পর্বতমালাই বেৰি আছে। তদুপৰি অসমৰ পৰিসীমাৰ ভিতৰত অসংখ্য সৰু-বৰ পাহাৰ-পর্বত, নদ-নদী, জান-জুৰি আৰু হাবি-বননিবোৰ, বন-বিৰিখ, জীৱ-জন্তুৰে ভৰি আছে। ব্রহ্মপুত্র নদী তিব্বতৰ পৰা ওলাই অসম, বাংলাদেশ আৰু পশ্চিম বংগৰ মাজেদি প্রৱাহিত হৈ গংগাৰ সৈতে লগ লাগি বঙ্গোপসাগৰত পৰিছে। বৰাক বা সুৰমা নদী কাছাৰ জিলাৰ বৰাইল পাহাৰৰ পৰা ওলাই অসম-পশ্চিমবংগ হৈ ব্রহ্মপুত্রৰ সৈতে মিলি বঙ্গোপসাগৰত পৰিছে।

বর্তমানৰ অসম পূর্বৰ 'প্রাগ্‌জ্যোতিষপুৰ', 'কামৰূপ'ৰ অংশ বিশেষ। ভৌগোলিক সমীক্ষা অনুসৰি এই ভূখণ্ড টেৰচিয়াৰী যুগত, প্রায় আজিৰ পৰা ১৪০ নিযুত বছৰৰ আগতে টেথিচ সাগৰৰ পৰা উঠি আহিছে। হিমালয় পর্বতমালা উঠি অহা সময়তে এই ভূখণ্ডও উঠি আহে। প্রাগ্‌জ্যোতিষ আৰু কামৰূপ— শব্দ দুটি *মহাভাৰত, ৰামায়ণ, কালিকা পুৰাণ, যোগিনীতন্ত্র, কৌটিল্যৰ অর্থশাস্ত্র, ৰঘুবংশ, হর্ষচৰিত* আদিৰ উপৰি ভিন্ ভিন্ পুৰাণ, বিভিন্ন সময়ত এই ভূখণ্ডলৈ অহা বিদেশী ভ্রমণকাৰীসকলে তেওঁলোকৰ টোকাত উল্লেখ কৰি গৈছে। আনহাতে খ্রীঃ চতুর্থ শতিকাৰ সমুদ্রগুপ্তৰ বিখ্যাত 'এলাহবাদ প্রশস্তি'ত কামৰূপ নামটিৰ উল্লেখ আছে আৰু এয়াই কামৰূপৰ নাম উল্লেখ থকা প্রাচীনতম প্রত্নতাত্ত্বিক নিদর্শন। খ্রীষ্টীয় প্রথম শতিকাতে ৰচিত গ্রীক্ পুথি *পেৰিপ্লাছ অব্ দি এৰিথ্রিয়ান ছিতো* প্রাগ্‌জ্যোতিষপুৰৰ উল্লেখ আছে।



জানি থোৱা ভাল

প্রাচীন অসমৰ ভূমিখণ্ডৰ ভূ-তাত্ত্বিক গঠন প্রণালীত সৃষ্টি হোৱা আটাইতকৈ তলৰ শিলাখণ্ড মিলিয়েম গ্রেনাইট (Miliem Granite) প্রায় ৭৬০ মিলিয়ন বছৰ পূর্বৰ বুলি ভূ-তাত্ত্বিকসকলে ঠাৱৰ কৰিছে। বিভিন্ন অধ্যয়নে দেখুৱাইছে যে গোলাঘাট জিলাৰ দেৰগাঁৱৰ নেঘেৰিটিং অঞ্চলত পোৱা শিলাখণ্ডই অসমৰ পূর্বৰ প্রাক্-কেম্ব্রিয়ান (Pre-combrian) শিলাৰ শেষ সীমা। ইয়াৰ উপৰি তৈলক্ষেত্রসমূহৰ খননকার্যৰ যোগেদি অতি সম্প্রতি পোৱা সমলে নিশ্চিত কৰা মতে এচাম প্রাচীন প্রাক্-কেম্ব্রিয়ান শিলা ডিব্রুগড় জিলাৰ টেঙাখাত আৰু ইয়াৰ অধিক পূবলৈ প্রসাৰিত হৈ আছে।

বাণীকান্ত কাকতিয়ে প্রাগ্জ্যোতিষ শব্দটো কেতবোৰ অনার্য শব্দৰ সমষ্টি বুলি ফঁহিয়াই দেখুৱাইছে— পগৰ - পর্বত; জ্যো, জুহ - ওখ, তিক্ তিছ-দীঘল। ইয়াৰ অর্থ— দীঘল আৰু ওখ পর্বত মালা। আনহাতে কামৰূপ নাম সম্পর্কে *কালিকা পুৰাণত* উল্লেখ আছে যে শিৱৰ কোপ দৃষ্টিত মৃত্যু হোৱা কামদেৱে ইয়াতেই পুনৰ জীৱন লাভ কৰিছিল (*কালিকা পুৰাণ* ৫১/৬৭); অর্থাৎ কামদেৱে পুনৰ ৰূপ লাভ কৰা (কাম+ৰূপ) ঠাই। এই অলৌকিক ব্যাখ্যাত বর্ণিত হৈছে যে মৃত ব্যক্তি এজনে ইয়াত পুনর্জীৱন পাইছিল; অর্থাৎ ই প্রেত পূজাৰ এখন সাৰুৱা ভূমি। তদুপৰি *যোগিনীতন্ত্রত* কামাখ্যা দেৱীৰ উদ্ভৱৰ বিৱৰণত উল্লেখ থকা প্রেত পূজা, শ্মশান পূজা আদিয়ে প্রমাণ কৰে যে এই দেশ প্রেত পূজাৰ বাবে অনুকূল ঠাই আছিল। বাণীকান্ত কাকতিয়ে কামৰূপ শব্দটিও দুটা অনার্য শব্দৰ সমষ্টি বুলি মত পোষণ কৰিছে, যথা— কামৰু + প; অর্থাৎ কামৰু নামক দেৱতাৰ পর্বত (পা)। এই সম্পর্কে বিষ্ণু ৰাভাই কৰা এযাৰ মন্তব্য স্মর্তব্য—

> এই অঞ্চলত লোকসকলৰ অগাধ বিশ্বাস ভূত, প্রেত, দেৱ-দেৱীৰ প্রতি। সেই কাৰণে এই ৰাজ্যৰ নাম হ'ল 'কামৰু' অর্থাৎ ভূত-প্রেত, দেৱ-দেৱীৰ ৰাজ্য। আৰু আদ্যাশক্তি গোসাঁনীৰ নাম হ'ল কামাখী বা কামলক্ষী।... ...যেতিয়া দেখিলে নৰকাসুৰ 'কামৰু'ৰ বর্বৰ সভ্যতাৰ মাজত বিলীন হ'ল, আর্য সভ্যতাৰ চাব এই ৰাজ্যত পেলাব নোৱাৰিলে, তেতিয়া শ্রীকৃষ্ণই নিজেই অসমলৈ আহি... ...নৰকক বধ কৰি... ...ষোল্ল হাজাৰ গোপিনীক লগতে দ্বাৰকালৈ নিলে। তেতিয়াৰ পৰাহে আর্য সভ্যতা 'কামৰু'ত চলিল, 'কামৰু'ৰ নাম সলাই কামৰূপ কৰা হ'ল। কামাখী বা কামলক্ষী গুছি কামাখ্যা হ'ল...।

ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি যে এই ভূখণ্ডলৈ আর্যসকল অহাৰ পাছতহে ইয়াৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্রচলিত ধর্মীয় পৰম্পৰাৰ পৰা আৰম্ভ কৰি সকলো বিলাক আর্যীকৰণ কৰি আর্যভাষাসিদ্ধ নামেৰে নামকৰণ কৰা হয়।

এই প্রাগ্জ্যোতিষপুৰ বা কামৰূপৰ ভৌগোলিক সীমা পূর্বতে বহু ঠাই জুৰি আছিল। অৱশ্যে এটা কথা ঠিক যে এই ভূখণ্ডৰ ভৌগোলিক সীমা প্রকৃততে কিমান আছিল সেই সম্পর্কে

বিজ্ঞানসন্মত কোনো ঐতিহাসিক তথ্য বা সমল উপলব্ধ নহয়। তেনেধৰণৰ কোনো সমল পূর্বতে আছিল যদিও বর্তমানলৈকে উদ্ধাৰ হোৱা নাই। পুৰাকথাৰ আধাৰত আমি ক'ব পাৰোঁ— নেপালৰ কাঞ্চন-পর্বতৰ পৰা (কাঞ্চনজংঘাৰ পৰা) ব্রহ্মপুত্রৰ সংগমলৈকে আৰু কৰতোয়াৰ পৰা দিক্কৰবাসিনীলৈকে ধৰি, উত্তৰে কুঞ্জ-পর্বত (কাঞ্চনজংঘা), পশ্চিমে তীর্থশ্রেষ্ঠ কৰতোয়াৰ পৰা ইক্ষু নদীলৈকে, পূবে পর্বতৰ দুগৰাকীলৈকে (দিক্কৰবাসিনী আৰু ললিতাকান্ত পার্বতীৰে দুটা ৰূপ) আৰু দক্ষিণে লাক্ষা নদীৰে সৈতে ব্রহ্মপুত্রৰ সংগমলৈকে অঞ্চলটোক সকলো শাস্ত্রতে নিশ্চিতভাৱে কামৰূপ বুলি কয়। *যোগিনীতন্ত্রৰ* একাদশ পটলত উল্লেখ আছে—

নেপালস্য কাঞ্চনাদ্রিং ব্রহ্মপুত্রশ্য সঙ্গম। ১৬
কৰতোয়াং সমাশ্রিত্য যাবদ্দিক্কৰবাসিনীং।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়াতু পশ্চিমে।।১৭
তীর্থশ্রেষ্ঠ দিক্ষুনদী পূর্ব্বস্যাং গিৰিকন্যকে।
দক্ষিণে ব্রহ্মপুত্রস্য নাক্ষায়াঃ সঙ্গমবধি।
কামৰূপ ইতিখ্যাতঃ সর্ব্বশাস্ত্রেষু নিশ্চিত।। ১৮

(*যোগিনীতন্ত্রম*, ১৯৭২, পৃ.১৪৭-১৪৮)

এই কথাৰ খেও ধৰিয়েই নগেন্দ্র নাথ আচার্য্যই মত পোষণ কৰিছে যে পুৰণি কামৰূপ ৰাজ্যই ব্রহ্মপুত্র উপত্যকা, ভূটান, ৰংপুৰ আৰু কোচবিহাৰ ৰাজ্যলৈকে সামৰি লৈছিল। সপ্তম শতিকাত অসমলৈ অহা চীনা পৰিব্রাজক হিউৱেন চাঙে মত পোষণ কৰিছিল যে কামৰূপ ৰাজ্যৰ পৰিধি আছিল ১০,০০০ লি (প্রায় ১,৭০০ মাইল)। ৰাজধানীৰ আছিল ৩০ লি (৬ মাইল)। বৌদ্ধ চর্যাপদসমূহ, *হৰগৌৰী সম্বাদ*, মুছলমানসকলৰ *তবাকৎ-ই-নাচাৰি* আৰু *ৰিয়াজ-উচ-চালাটিন* আদিত কামৰূপক 'কামৰুদ' হিচাপে বর্ণনা কৰিছে। চীনা পৰিব্রাজক ফাহিয়ান, হিউ-ৱেন-চাঙৰ বর্ণনাত অসম দেশখনৰ নাম 'কামলোপ', 'কাম-ৰূ' আদি নামেৰে উল্লেখ আছে। কৰতোৱা নৈখনক হিউ-ৱেন-চাঙে 'কা-লো-টা' বুলি কৈছে।

পুৰণি কামৰূপখনক চাৰিটা ভাগত ভাগ কৰা হৈছিল। কৰতোয়া নদীৰ পৰা পূবে স্বর্ণকোষ বা সোণকোষ নদীলৈকে ৰত্নপীঠ, সোণকোষৰ পৰা ৰূপহী নদীলৈকে কামপীঠ, ৰূপহীৰ পৰা ভৰলী নদীলৈকে স্বর্ণপীঠ আৰু ভৰলীৰ পৰা দিকৰাই বা দিক্রঙলৈকে সৌমাৰপীঠ। নগেন্দ্রনাথ আচার্য্যৰ মতে — "কামৰূপ ৰাজ্যৰ কামপীঠত নৰকাসুৰে ৰাজত্ব কৰাৰ সময়ত স্বর্ণপীঠ আৰু সৌমাৰপীঠৰ বেলেগ বেলেগ বংশৰ দুজন ৰজাই ৰাজত্ব কৰিছিল। স্বর্ণপীঠৰ ৰাজ্যখনৰ নাম শোণিতপুৰ আৰু সৌমাৰপীঠৰ ৰাজ্যখনৰ নাম আছিল কুণ্ডিল্য। ভীষ্মকে বিদর্ভ ৰাজ্যত ৰাজত্ব কৰিছিল। এওঁ চুটীয়া বংশৰ ৰাজা।"

১২২৮ খ্রীঃত আহোমসকলে এই ভূখণ্ডত প্রৱেশ কৰে। ইয়াৰ পূর্বতে এই ভূখণ্ডত বর্মন বংশ (৩৫৫-৬৫০), শালস্তম্ভ বংশ (৬৫০-৯৯০), পাল বংশ (৯৯০-১৩৩৮) তথা বৈদ্যদেৰ আৰু অন্যান্য ৰজাসকলে (১১৩৮-১২২৮) ৰাজত্ব কৰিছিল। এওঁলোকৰ আগৰ সময়ছোৱাত

নৰকাসুৰৰ বংশধৰসকলে ৰাজত্ব কৰাৰ কথা পুৰাকথাবোৰত উল্লেখ আছে। আহোমসকল এই ভূখণ্ডত প্ৰৱেশ কৰাৰ পূৰ্বে পশ্চিম দিশৰ পৰা ১২০৫-০৬ খ্ৰীঃত পোন প্ৰথমবাৰৰ বাবে ইছলাম ধৰ্মৱালম্বী বখ্তিয়াৰ খিলিঞ্জীয়ে কামৰূপত প্ৰৱেশ কৰি যুদ্ধত পৰাস্ত হয়। এই কথা 'কানাই বৰশীবোৱা শিলালিপি'ত খোদিত আছে। অৱশ্যে পৰৱৰ্তী কালত (১২২৭ খ্ৰীঃ) বখ্তিয়াৰ মহম্মদ নাছিৰুদ্দিনে কামৰূপ আক্ৰমণ কৰি পৃথু ৰজাক পৰাভূত কৰে। সেই সময়ৰে পৰা অসমত মুছলমানসকলৰ প্ৰৱেশ ঘটে। আহোমসকলে পূব দিশৰ পৰা অসমত প্ৰৱেশ কৰিছিল। উল্লেখযোগ্য যে তেওঁলোক কিন্তু আক্ৰমণকাৰী নাছিল। এই তাই-আহোমসকলৰ ৰাজবংশৰ বেলি মাৰ যোৱালৈকে কেইবাটাও ৰাজবংশই এই সমগ্ৰ ভূখণ্ডত ৰাজত্ব কৰিছিল। ১২২৮ খ্ৰীষ্টাব্দৰ পাছত কামৰূপ ৰাজ্যখন ভাগি ছখন সৰু সৰু ৰাজ্যৰ সৃষ্টি হয়। যথা— কমতা ৰাজ্য (১২২৮-১৫১৫), কোচ ৰাজ্য (১৫১৫-৮১), ভূঞাসকলৰ ৰাজ্য (১৪৯৮-১৫১৫), কছাৰী ৰাজ্য (১২২৮-১৮৩২), চুতীয়া ৰাজ্য (১১৮৯-১৫২৩) আৰু আহোম ৰাজ্য (১২২৮-১৮২৪)। আহোমসকলে সাতৰাজ মাৰি একৰাজ প্ৰতিষ্ঠা কৰাৰ লগতে এই ভূখণ্ডৰ ভৌগোলিক সীমাও বৃদ্ধি কৰিছিল। আহোমসকলে ৰাজত্ব কৰি থকাৰ সময়তেই এই ভূখণ্ডটিৰ নাম আছাম, আসাম, অসম হয়।

আহোমসকলে ৰাজত্ব কৰাৰ প্ৰথম অৱস্থাত এই ঠাইখনক তেখেতসকলে 'মুং-দুন-চুন-খাম' (সোণোৱালী বাগিচাৰে ভৰপূৰ দেশ) নামেৰে নামকৰণ কৰিছিল। পৰৱৰ্তীকালত <A:ca:m> (Assam) নামেৰে পৰিচিত হয়। আছাম, অসম নাম উৎপত্তি সম্পৰ্কে ভিন্নজনে ভিন্ ভিন্ মত পোষণ কৰে। বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে—

> The word Assam was connected with the shan invaders of the Brahmaputra Valley... ...It seems curious that while the shan invaders called themselves Tâi (Gait, p.245) they come to be referred to as Âsâm, Âsåm, Asåm and Acåm by the natives of the Province... ...The modern Assamese word Âhom by which the Tâi people and known evidently goes back to early Assamese Âsâm; Âsâm>Âsåm>Âham, Âhom. The last syllable of Âsåm might very well be connected with sham but the initial vowel - Â - would remein unexplained, Â-, as a prefix having a privative or derogatory significalce. (Kakati, 1941, p.1-2)

ৰাজমোহন নাথে কৈছে—

> The conquerers however named the country as Meung-dun-Chun-Kham or the gold abounding country; but as they were known generally by their Burmese name sham (shan) the people of this the country appears to have assumed the

present from of its name–Assam, and the People descending from the shan invadevs are called the Ahoms. (Nath,1949, p.127)

বহু সমালোচকে আচাম শব্দটোৰ মূল সংস্কৃত 'অসম' শব্দ বুলি ক'ব বিচাৰে যদিও সেয়া যে এক ভ্ৰান্ত ধাৰণাহে সেয়া বিভিন্ন পণ্ডিতে আঙুলিয়াই দিছে আৰু যুক্তিপূৰ্ণভাৱে প্ৰতিপন্ন কৰিছে। শংকৰদেৱৰ লিখনিতেই 'অসম' শব্দটোৱে পোন প্ৰথমবাৰৰ বাবে লিখিত ৰূপ লাভ কৰে। *ভাগৱত* (অসম মুলুক ৰজক তুৰুক। /কুবাচ ম্লেচ্ছ চাণ্ডাল।। —ভাগৱত ২/৪/৪) আৰু *নামঘোষাত* ইয়াৰ উল্লেখ আছে। অৱশ্যে তেওঁ অসম শব্দটো আহোমসকলক বুজাবৰ বাবেহে ব্যৱহাৰ কৰিছিল। এইবোৰৰ উপৰি বিভিন্ন চৰিতপুথি, দৰং ৰাজবংশাৱলী, ভূমিদান পত্ৰ, বিবিধ লিপিত এই নামটি পোৱা যায়। আনকি গদাধৰ সিংহৰ দিনৰ বৰতোপৰ গাত আচাম-অচম-আসাম-অসম শব্দৰ ব্যৱহাৰ সণ্ঢালনিকৈ উল্লেখ আছে। ১৬৬২ চনত Mattheus Van den Broucke (1620- 1685)ৰ নিৰ্দেশ মতে অংকন কৰা বংগদেশৰ ৰাজতন্ত্ৰৰ (Kingdom of Bangla) এখন মেপত Assam শব্দটিৰ উল্লেখ পোৱা যায়। ১৬৬১ চনত বংগত থকা এজন ডাচ ব্যক্তি Johvan Leenen-এ এই মেপখন আঁকিছিল। মেপখন *Francois Valentijn's 'Oud en nicuw Oost- Indien (Dor drecht,1724)* নামৰ গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে আৰু এইখনেই অসম নামটি লিখিতভাৱে উল্লেখ থকা এতিয়ালৈকে প্ৰাপ্ত পুৰণি মেপ। কিতাপখনত মেপখন সন্নিবিষ্ট হৈছে ১৪৬-১৪৭ পৃষ্ঠা দুটিৰ মাজত। মেপখনত বেলেগে পৃষ্ঠা সংখ্যা উল্লেখ কৰা হোৱা নাই।

আচাম/আসাম/Assam নামটোৰ উৎপত্তি সম্পৰ্কে প্ৰফুল্ল মহন্তই শৰৎ কুমাৰ ফুকনে লিখিতভাৱে জনোৱা এটি তথ্য সন্নিৱিষ্ট কৰিছে তেওঁৰ *জনগোষ্ঠীগত চেতনা ঃ আত্ম প্ৰতিষ্ঠাৰ প্ৰশ্ন* নামৰ পুথিখনত। ইয়াত তেওঁ উল্লেখ কৰিছে—

> তাই আহোমৰ নেতৃত্বত মধ্যযুগৰ অসমীয়াৰ সন্মিলিত প্ৰচেষ্টাত যি আচাম, আসাম নামৰ সৃষ্টি হ'ল, সি মূলতঃ তাইসকলৰ লগত জড়িত। শেহান্তৰত অদ্যাপি হোৱা নৃতত্ত্ব, ভাষাতত্ত্ব, নামতত্ত্ব, ইতিহাসৰ অধ্যয়নৰ পটভূমিত ক'ব পাৰি যে খ্ৰীঃ ১৩ শতিকাৰ আৰম্ভণীত থলুৱা বড়ো, কছাৰী, মৰাণ, বৰাহীসকলে—তাই বা শ্যাম শান সকলে ন'কৈ গঢ় দিয়া ভূমিখণ্ডক উদ্দেশি হা-শ্যাম বা হা-শাম বা হা-শান বা হ-চাম (অর্থ শ্যামসকলৰ দেশ, মাটি; তুলনা— হা-বং, হা-জু, হা- তকামা প্ৰভৃতি) বোলাৰ পৰাই হা-শ্যাম > হা-শান> হা-শাম > হা-চাম > আ-শাম > আশাম > আচাম > আসাম > অসম হয়গৈ। জাতিটোৰ ক্ষেত্ৰত ই 'আসাম' পৰ্যায়ৰ পৰা ক্ৰমে অসম > অহম > আহোম স্থিতি লয়। বৰ্তমানে ব্যৱহাৰ হোৱা অসম, আহোম, অসমীয়া তিনিওটা শব্দই দৰাচলতে মঙ্গোলীয় মূলৰ আৰু ইহঁত অপভ্ৰংশ ৰূপত।

বাডেন পাৱেলে বড়োৰ 'হা-কম্ব' শব্দৰ পৰা আচাম হৈছে বুলি ব্যক্ত কৰিছে— "The name 'Assam' (Âsâm) is most pobably traceable to (the Boro) Hâ-Çam–

the low or level country." ইয়াত উল্লেখ কৰা বিভিন্ন তথ্যসমূহৰ উপৰি বিভিন্ন পণ্ডিতে মতপোষণ কৰিছে যে আসাম শব্দটো অনার্যমূলীয়া শব্দ আৰু আহোমসকলৰ নামৰ ৰূপান্তৰ। বিভিন্ন বিদেশী পর্যটকসকলেও এই ভূখণ্ডৰ প্রসংগত Assam, Asham, Ascham, Acham, Âsâm, Assen (French language), ASEM শব্দ ব্যৱহাৰ কৰিছিল। এই সকলোবোৰেই প্রমাণ কৰে যে আহোমসকলৰ ৰাজত্বকালতে এই ভূখণ্ডটিৰ নাম 'অসম' নামেৰে পৰিচিত হয়।

আহোম ৰজা লক্ষ্মীসিংহৰ দিনৰ পৰা (১৭৬৯-১৭৮০) আহোম সাম্রাজ্যৰ ভাঙোন আৰম্ভ হয়। এইজনা স্বর্গদেউৰ দিনতে অসম বুৰঞ্জীখ্যাত 'মায়ামৰীয়া বিদ্রোহ' আৰম্ভ হয়। এওঁৰ পৰৱর্তী ৰজা গৌৰীনাথ সিংহ(১৭৮০-১৭৯৫)-ৰ দিনত মায়ামৰীয়াসকলক দমন কৰিবৰ বাবে ব্রিটিছসকলে প্রথমবাৰৰ বাবে এই ভূখণ্ডত ভৰি দিয়ে। এওঁৰ মৃত্যুৰপাছত কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০)ৰাজপাতত উঠে।পাছত চন্দ্রকান্ত সিংহৰ দিনতে (১৮১০-১৮১৮) আহোম ৰাজ্যত দেখা দিয়া খামখেয়ালিৰ বাবে মান সৈন্যই পোন প্রথমবাৰৰ বাবে অসম আক্রমণ কৰে।

ইয়াৰ পাছত মান সেনাই ক্রমগতভাৱে কেইবাবাৰো অসম আক্রমণ কৰে আৰু ১৮২৪ চনৰ হাদিৰাচকীৰ ৰণত আহোমক ঘটোৱাই অসম অধিকাৰ কৰে। এনেদৰেই অসমৰ স্বাধীনতাৰ বেলি প্রথমবাৰৰ বাবে মাৰ গ'ল। মান সেনাই ব্রিটিছ অধীনস্থ গোৱালাপাৰা, কাছাৰ, মণিপুৰ, ঢাকা, চট্টগ্রাম আদি আক্রমণ কৰাত ব্রিটিছৰ লগতো সংঘাত আৰম্ভ হয়। পৰিশেষত ব্রিটিছে মান সেনাক হৰুৱাই ইয়াণ্ডাবুলৈ গতি কৰে। তেতিয়া মানসকলে ১৮২৬ খ্রীঃৰ ২৪ ফেব্রুৱাৰীত ব্রিটিছৰ সৈতে চুক্তিবদ্ধ হয় আৰু অসম ব্রিটিছৰ অধীন হয়। ক্রমান্বয়ে ১৮৩২ খ্রীঃ দক্ষিণ কাছাৰ, ১৮৩৩ খ্রীঃ খাচীয়া পাহাৰ, ১৮৩৫ খ্রীঃ জয়ন্তীয়া আৰু শদিয়াৰ খামতি ৰাজ্য, ১৮৪২ খ্রীঃ মটকৰাজ্য, ১৮৫৪ উত্তৰ কাছাৰ, ১৮৩৮ খ্রীঃ পুৰন্দৰ সিংহক লালবন্দীকৈ দিয়া উজনি অসম ব্রিটিছসকলে নিজৰ সাম্রাজ্যত চামিল কৰে। এনেদৰে ১৮৯৮ চন পর্যন্ত এখনৰ পিছত এখনকৈ অসমৰ পর্বত-ভৈয়াম সকলো ৰাজ্য ব্রিটিছে নিজৰ অধীনলৈ আনে। এই সম্পর্কে ভুৱন মোহন দাসৰ এযাৰ মন্তব্য স্মৰ্তব্য—

> During the British regime Assam Covered a much larger geographical area. The present day Meghalaya, Nagaland, Mizoram, part of Arunachal Pradesh were within Assam. Besidas a small portion of Bangladesh was also included in Assam. Hence, at one time, by Assam it meant the whole of this region. (Das, 2010, p.12)

ইংৰাজসকলে প্রথমে অসমখনক চাৰিটা ভাগত ভাগ কৰি লৈছিল। যথা— খামটি আৰু চিংফৌ ৰাজ্য, মটক ৰাজ্য, উজনি অসম, নামনি অসম। ১৮৩৪ খ্রীঃত জেনকিন্স চাহাবে নামনি অসমক পুনৰ দৰং, নগাওঁ, কামৰূপ আৰু গোৱালপৰা জিলা হিচাপে বিভাজন কৰে। ১৮৭৪ চনত অসমক বংগৰ পৰা পৃথক কৰি চীফ কমিচনাৰৰ হাতলৈ আনে আৰু একেবাৰে

শেষত লুচাই পাহাৰ (১৮৯৮ চনত) ব্রিটিছৰ অধীনলৈ আহে। ১৯১২ খ্রীঃত অসমক এখন বেলেগ প্রদেশ কৰি চীফ কমিচনাৰ চাৰ আর্চডেল আর্লৰ হাতত শাসনভাৰ চমজাই দিয়ে। ১৯৪৭ চনত ভাৰতবর্ষ স্বাধীন হোৱা লগতে ব্রিটিছ ভাৰতবর্ষৰ অংগ ৰাজ্য হিচাপে অসমো স্বাধীন হয়। কিন্তু তেতিয়াৰ পৰা অসম ভাৰতবর্ষৰ ৰাজনৈতিক ছত্রছায়াৰ অধীনস্থ হয়। প্রথম অৱস্থাত সেইসময়ৰ NEFA, নাগালেণ্ড, মিজোৰাম, মেঘালয় তথা বর্তমানৰ 'অসম' ভূখণ্ড মিলি থাকি অসম নামেৰে পৰিচিত হৈছিল। পৰৱর্তীকালত বিভিন্ন ধৰণৰ সংঘাতৰ বাবে ১৯৬৩ চনত নগালেণ্ড, ১৯৭২ চনত মেঘালয়, ১৯৮৭ চনত মিজোৰাম আৰু অৰুণাচল প্রদেশ (পূর্বতে, ১৯৭২ চনৰ ২১জানুৱাৰীৰ পৰা কেন্দ্রীয় শাসিত ৰাজ্য হিচাপে আছিল) অসমৰ পৰা ফাটি গৈ নতুন ৰাজ্য গঠন কৰে। পূর্বতে থকা বৃহৎ ভূখণ্ড এইদৰে ভাগ ভাগ হৈ অসমখন বর্তমানৰ অৱস্থাত পৰিণত হৈছিহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক —

(ক) প্রাক্‌জ্যোতিষ' শব্দটো পূর্বৰ ..... শব্দ 'পগৰ-জো-তিচ্'-ৰ পৰা গ্রহণ কৰা হৈছে।

(খ) গ্রীক্ পুথি ..... ত প্রাগ্‌জ্যোতিষপুৰৰ নাম উল্লেখ আছে।

(গ) কৰতোৱা নৈখনক চীনা পৰিব্রাজক ..... 'কা-লা-টা' বুলি উল্লেখ কৰিছে।

(ঘ) 'অসম' নামৰ উৎপত্তি ..... ৰাজত্বৰ সময়তেই হৈছিল।

প্রশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) অসমৰ ভূমিখণ্ডত প্রাক্-কেম্ব্রিয়ান শিলাখণ্ড পোৱা গৈছে।

(খ) North Eastern Registration Act-1971-ৰ মতে নগালেণ্ড অসমৰ পৰা আঁতৰি পৃথক ৰাজ্যৰূপে গঠিত হয়।

(গ) ব্রহ্মপুত্র নদী তিব্বতৰ পৰা ওলাই বংগোপ সাগৰত পৰিছে।

.....

১.৪ জাতি — জাতিৰ ধাৰণা, অসমীয়া জাতি

প্রকৃতার্থত জাতিৰ ধাৰণাটোৱেই এটা আধুনিক ধাৰণা। ফৰাছী বিপ্লৱৰ পিছৰ পৰাহে আধুনিক অর্থত জাতিৰ ধাৰণা গঢ় লয়। 'জাতি' হ'বলৈ নৃ-গোষ্ঠীয় পৰিচয়তকৈ অন্য কিছুমান কাৰকেহে প্রধান ভূমিকা লয়। অৱশ্যে নৃ-গোষ্ঠীয় সত্তা এটাৰ পৰাও জাতিসত্তাৰ বিকাশ হ'ব পাৰে। কোনো এটা নৃ-গোষ্ঠীয়ে অন্য নৃ-গোষ্ঠীকো সাংস্কৃতিক আৰু অর্থনৈতিক ক্ষেত্রত সামৰি ল'ব পৰা উদাৰতা দেখুৱাব পাৰিলেই জাতিসত্তা গঠনৰ বাট মুকলি হয়। গতিকে, জাতিসত্তা বিকাশৰ বাবে বিভিন্ন জনগোষ্ঠী, বিভিন্ন সংস্কৃতিৰ সংমিশ্রণ আৰু সমাহৰণ বা সহাৱস্থান নিতান্তই প্রয়োজনীয় চর্ত। সমাহৰণ বা সহাৱস্থানৰ কথা অহাৰ লগে লগেই অৱধাৰিতভাৱে আহে

ভৌগোলিক অৱস্থানৰ কথা। সেয়ে আমি অসমীয়া জাতিৰ বিষয়ে আলোচনা কৰাৰ প্ৰসংগত অসমৰ ভৌগোলিক অৱস্থানৰ কথাও আলোচনা কৰিবলগীয়া হয় আৰু এই বিষয়ে কিছু কথা পূৰ্ৱৱৰ্তী শাখাটোত উল্লেখ কৰি অহা হৈছে।

এতিয়া অসমীয়া জাতি গঠন সম্পৰ্কে বহলাই আলোচনা কৰা হওক। অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে ভিন ভিন ধৰণে আলোচনা কৰিছে। আমাৰ এই আলোচনাত ৰাজনৈতিক বিচাৰ ধাৰাৰ পৰিৱৰ্তে ঐতিহাসিক আৰু সাংস্কৃতিক ধাৰণাৰ আধাৰতহে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে বিচাৰ কৰিবলৈ যত্ন কৰিম। 'অসমীয়া'ৰ পৰিচয় একে আষাৰে দিবলৈ অসুবিধা। কাৰণ, আপোনালোকে জানে অসমীয়া এটা সুকীয়া নৃ-গোষ্ঠী নহয়, অসমীয়া এটা জাতিসত্তাৰ নাম। ***প্ৰাক্-ঔপনিবেশিক যুগত*** অসমীয়া বুলি কোনো জাতি/জাতিসত্তা নাছিল; কিন্তু অসমীয়া জাতিসত্তা গঠনৰ আধাৰবোৰ প্ৰাক্-ঔপনিবেশিক যুগতেই এক ঐতিহাসিক প্ৰক্ৰিয়াৰে গঢ় লৈ উঠিছিল।

আপুনি নিশ্চয় জানে যে, আহোম শাসন কালতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিৰ্দিষ্ট ভূখণ্ডত সুস্থিৰ আৰু নিয়মিত প্ৰশাসনিক শৃংখলা প্ৰতিষ্ঠা হৈছিল। 'আহোম' জনগোষ্ঠীটো নিজেই বিভিন্ন জনগোষ্ঠীৰ ৰক্তসম্পৰ্ক আৰু সাংস্কৃতিক সংমিশ্ৰণৰ মাজেদি বিকাশ হোৱা জনগোষ্ঠী। আনহাতে আহোম শাসন ব্যৱস্থা (পাইক ব্যৱস্থা) আৰু মোমাই তামুলীৰ গাঁও সংগঠনৰ মাজেদি বিভিন্ন জনগোষ্ঠীৰ মাজত সাংস্কৃতিক সহাৱস্থানৰ অনুকূল পৰিৱেশ ৰচিত হৈছিল। একে সময়তে শংকৰদেৱৰ ভক্তি আন্দোলনৰ মাজেদিও বিভিন্ন জনগোষ্ঠীয় সত্তাৰ স্বকীয় সাংস্কৃতিক পৰম্পৰাৰ অতিৰিক্ত এক বহল আৰু উমৈহতীয়া সাংস্কৃতিক পৰিচয় গঢ়ি উঠিছিল। এনেদৰে অসমীয়া জাতিসত্তাৰ সাহটো নিৰ্মাণ হৈছিল। কিন্তু এইখিনিতে আমি পুনৰ মনত পেলাব লাগিব যে, ঔপনিবেশিক যুগৰ আগলৈকে 'অসমীয়া' বুলি কোনো জাতিসত্তাৰ পৰিচয় নাছিল, মাথোঁ আধাৰবোৰহে তৈয়াৰ হৈছিল। সেয়ে, সেই সময়ত 'অসমীয়া' শব্দটোৰো প্ৰচলন দেখা পোৱা নাযায়। আনকি বৰ্তমানৰ কামৰূপ জিলাৰ একাংশ আৰু গোৱালপাৰা জিলা আহোম ৰাজত্বৰ বাহিৰতে থাকি গৈছিল।

১৮২৬ চনত অসমত ঔপনিবেশিক শাসন প্ৰতিষ্ঠা হয়। ব্ৰিটিছৰ পুঁজিবাদী অৰ্থনীতিৰ ভেটিত উল্লিখিত আধাৰবোৰৰ পৰাই অসমীয়া জাতিৰ ধাৰণা গঢ় লৈ উঠিল। মন কৰিবলগীয়া জাতিৰ ধাৰণা (আধুনিক অৰ্থত) বিকাশত মধ্যশ্ৰেণীৰ ভূমিকাই সৰ্বাধিক। ঔপনিবেশিক আমোলত অসমত ন-কৈ বিকাশ হোৱা মধ্যশ্ৰেণীটোৱে, পূৰ্বৰ আহোম ৰাজ্য, কোচ ৰাজ্য আৰু জনজাতীয় গোষ্ঠীপতি শাসনাধীন যিটো এলেকা ব্ৰিটিছে প্ৰশাসনিক সুবিধাৰ বাবে অসমৰ অন্তৰ্গত কৰিলে সেই ভৌগোলিক এলেকাৰ জনবসতিক সামৰি অসমীয়া জাতিৰ ধাৰণা গঢ়ি তুলিলে। মধ্যবিত্ত শ্ৰেণীৰ ধাৰণাৰ অসমীয়া জাতি কিন্তু আৰ্যমূলীয়। ইয়াৰ বাবে প্ৰাচীন কামৰূপৰ জনবসতিৰ ইতিহাস, আৰ্যীকৰণ বা সংস্কৃতায়ন প্ৰক্ৰিয়া আৰু ভাষা-সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাস ৰচনা কৰা হ'ল। এনেদৰেই, অসম ভূখণ্ডৰ সকলো জনগোষ্ঠীক সামৰি লৈ 'অসমীয়া জাতিৰ' ধাৰণা গঢ়ি উঠিল। অসমীয়া জাতিৰ এই ধাৰণাৰ কেইটামান মন কৰিবলগীয়া দিশ হ'ল —



প্ৰাক্-ঔপনিবেশিক যুগঃ প্ৰাক্-ঔপনিবেশিক যুগ বুলি ক'লে আমি ভাৱতত ব্ৰিটিছসকলে তেওঁলোকৰ ঔপনিৱেশ প্ৰতিষ্ঠা কৰাৰ আগৰ সময়খিনিৰ কথা বুজোৱা হয়।

- আর্যীকৰণৰ মাজেদি বিভিন্ন মংগোলীয় জনগোষ্ঠীৰ সংস্কৃতিক আর্য সুঁতিৰ মাজত উদাৰভাৱে সামৰি লোৱা হৈছিল। এনেদৰে আর্যীকৰণ হোৱা জনগোষ্ঠীসমূহক অসমীয়া জাতিসত্তাৰ গুৰত্বপূর্ণ উপাদান ৰূপে বিবেচনা কৰা হৈছিল।
- শংকৰদেৱৰ ভক্তিধর্ম 'অসমীয়া জাতি'ৰ ধাৰণাৰ এটা প্রধান আধাৰ।

এইখিনিতে আৰু এটা কথা কোৱা প্রয়োজন। নৰক ভগদত্তৰ দিনৰ পৰাই অসমৰ মানুহৰ— বিভিন্ন ভাষা, বিভিন্ন সংস্কৃতি, বিভিন্ন অৱয়ব (শাৰীৰিক/ৰক্ত)-ৰ সংমিশ্রণ ঘটিছে। আজি কোনেও নিজকে বিশুদ্ধ ৰক্তৰ কোনো এক প্রজাতিৰ (Race) অন্তর্গত বুলি দাবী কৰিব নোৱাৰে। আনহাতে, নৰক-ভগদত্তৰ দিনৰে পৰা আর্য ধর্ম আৰু আর্য সংস্কৃতিয়ে ধীৰে ধীৰে প্রাধান্য পাই আহিছে। ইয়াৰ কাৰণ অর্থনৈতিক। আর্যসকলৰ উন্নত উৎপাদন কৌশল আৰু বহুযুগীয়া লিখিত সাহিত্যৰ পৰম্পৰা থকা ভাষাই অন্যান্য নৃ-গোষ্ঠীসকলৰ ওচৰত স্বাভাৱিকতে অগ্রাধিকাৰ পালে। D.D. Kosambi এ *The Culture and Civilization of Ancient India, A Historical Outline* নামৰ গ্রন্থখনত মন্তব্য কৰিছে— "This is normal phenomenon when two cultures are in contact, the stronger form of production often imposes its language upon the other." ফলত ঔপনিবেশিক যুগলৈ আর্যমূলীয় সংস্কৃতিয়েই 'অসমীয়া জাতিসত্তা'ৰ সাংস্কৃতিক আৰু মতাদর্শগত আধাৰ হৈ পৰিল। এই আলোচনাখিনিৰ পৰা ক'ব পাৰি যে, পৰম্পৰাগত অর্থত অসমত বাস কৰা সকলো জনগোষ্ঠীয়েই অসমীয়া।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কেতিয়াৰ পৰা আধুনিক অর্থত জাতিৰ ধাৰণা গঢ় লৈ উঠে?

.....

প্রশ্ন নং ৪ ঃ 'অসমীয়া জাতি' ধাৰণাটিৰ আটাইতকৈ মনকৰিবলগীয়া দিশ কেইটা কি কি? (৪০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

১.৫ অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান

জনগাঁথনিৰ ফালৰ পৰা অসম এখন ভূ-স্বর্গস্বৰূপ। অতি প্রাচীন কালতে বিভিন্ন ঠাইৰ জনগোষ্ঠী কিছুমানে কৃষিৰ উপযোগী ভূমি বিচাৰি বিভিন্ন ঠাই পৰিভ্রমণ কৰি আহি ব্রহ্মপুত্র উপত্যকাৰ সাৰুৱা অঞ্চলত উপস্থিত হয়। এনে দৰেই বিভিন্ন সময়ত ব্রহ্মপুত্র উপত্যকাত বহু জনগোষ্ঠীৰ সমাৱেশ ঘটিছিল আৰু এই বহু জনগোষ্ঠীৰ মিলন সংমিশ্রণৰ ফলতেই বৃহৎ অসমীয়া

জাতিৰ সৃষ্টি হৈছিল। এক কথাত ক'ব পাৰি বিভিন্ন ধর্মৰ, জাতিৰ, সংস্কৃতিৰ মানুহে উমৈহতীয়া সহিষ্ণুতা, পাৰস্পৰিক সহযোগিতা আৰু সৌহার্দ্যৰে অসমৰ জনগাঁথনি সমৃদ্ধ কৰিছে আৰু বৃহৎ অসমীয়া সমাজ গঢ়ি তুলিছে। অসমৰ জনগাঁথনিক আমি বিভিন্ন দৃষ্টিকোণেদি আলোচনা কৰিব পাৰোঁ, যেনে— নৃতাত্ত্বিক দৃষ্টিভংগীৰে, ধর্মীয় পৰম্পৰাৰে, ভাষাতাত্ত্বিক দিশেৰে। আমাৰ এই আলোচনাত আমি কেৱল নৃতাত্ত্বিক দৃষ্টিভংগীৰেহে অসমীয়া জনগাঁথনি সম্পর্কে আলোচনা কৰিম।

নৃতাত্ত্বিক দৃষ্টিভংগীৰে আলোচনা কৰিলে আমি দেখোঁ যে অসমৰ জনগাঁথনি বা অসমৰ সমাজ গঠন প্রক্রিয়াত মূলতঃ তিনিটা প্রজাতিয়ে অংশগ্রহণ কৰিছে, যথা— অষ্ট্রলয়ড, মংগোলয়ড আৰু ককেছীয়। উল্লেখযোগ্য যে সাম্প্রতিক সময়ত পৃথিৱীৰ সমগ্র মানৱকে এটা জীৱগোষ্ঠীৰ অন্তর্ভুক্ত কৰা হৈছে। সেই গোষ্ঠীটো হ'ল মানৱ জীৱগোষ্ঠী আৰু ইয়াৰ বৈজ্ঞানিক নাম *হম' ছিপিয়েন্স*। ইয়াক পুনৰ নিগ্রো বা নেগ্রিট, অষ্ট্রেলীয় বা অষ্ট্রলয়ড, মংগোলীয় বা মংগোলয়ড আৰু ককেছীয় নামেৰে চাৰিটা প্রজাতিত ভাগ কৰা হয়। অৱশ্যে কোনো কোনোৱে অষ্ট্রেলীয়ক বেলেগ বুলি নির্দ্ধাৰণ নকৰি ককেছীয়ৰে অন্তর্গত বুলিও বিবেচনা কৰে। ভাৰতীয় জনগোষ্ঠীসমূহৰ মাজত থকা বিভিন্ন প্রজাতীয় উপাদান সম্পর্কে ভিন্ ভিন্ সময়ত বেলেগ বেলেগ নৃতাত্ত্বিকে নিজ নিজ ধৰণে শ্রেণীবিভাজন কৰি ব্যাখ্যা কৰিছে আৰু প্রত্যেকেই বেলেগ বেলেগ ধৰণে একোখনকৈ প্রজাতিকৰণৰ তালিকা দাঙি ধৰিছে। ড° বিৰজা শঙ্কৰ গুহই ভাৰতীয় মানুহৰ মূল ছয়টা নৃ-গোষ্ঠীগত বিভাগ তথা নটা উপশাখাত ভাগ কৰিছে। সেইসমূহ হ'ল—

১। নিগ্রো বা নেগ্রিটো (Negrits)
২। প্রায় অষ্ট্রেলীয় (Proto-Australoid)
৩। মংগোলীয় (Mongoloid)
    (ক) প্রত্ন-মংগোলীয় (Paleo-Mongoloid)
        (i) প্রশস্ত মস্তকী (Broad-readed)
        (ii) দীর্ঘ মস্তকী (Long-headed)
    (খ) তীব্বত-মংগোলীয় (Tribeto-Mongoloid)
৪। ভূমধ্যসাগৰীয় (Mediterrarear)
    (ক) প্রত্ন-ভূমধ্যসাগৰীয় (Paleo-Mediterrarear)
    (খ) ভূমধ্যসাগৰীয় (Mediterrarear)
    (গ) প্রাচ্য (Oriental Type)
৫। পশ্চিমীয়া প্রশস্তমস্তকী (Western Brachycephal)
    (ক) আলপাইন (Alpinoid)
    (খ) ডিনাৰিক (Dinaric)
    (গ) আর্মেনীয় (Armenoid)

৬। নার্ডিক (Nordic)

শশাংক শেখৰ সৰকাৰে ভাৰতৰ নৃ-গোষ্ঠীক ছটা ভাগত ভাগ কৰিছে। সেইকেইটা হ'ল—

১। অষ্ট্রেলীয় (Australoid)
২। ইণ্ডো-আর্য (Indo-Aryan)
৩। ইৰাণোস্কাইথিয়ান (Irano-Schythiar)
৪। মুণ্ডাৰী ভাষী(Mundari-speaker)
৫। মালয়-পলিনেছীয় (Malay-Polynesian or Far Eastern)
৬। মংগোলীয় (Mongoloid)

ৰিজ্‌লিয়ে ভাৰতীয়ক তলত দিয়াৰ দৰে ভাগ কৰিছে—

১। টুর্ক-ইৰাণীয়ান (Turko-Irarian)
২। ইণ্ড'-আর্য (Indo-Aryan)
৩। স্কাইথিঅ'-দ্রাবিড় (Schythio-Dravidian)
৪। আর্য-দ্রাবিড় (Aryo-Dravidian or Hindustari type)
৫। মংগোলীয়-দ্রাবিড় (Mongolo-Dravidian or Bengali type)
৬। মংগোলীয় (Mongoloid)
৭। দ্রাবিড় (Dravidian)

এই প্রজাতিকৰণৰ তালিকাসমূহৰ ভিতৰত বিৰজা শংকৰ গুহৰ প্রজাতিকৰণ তালিকাখনেই বেছি জনপ্রিয় তথা স্বীকৃত; কাৰণ এই তালিকাখন যিবিলাক তথ্যৰ আধাৰত লিপিবদ্ধ কৰা হৈছে সেই তথ্যসমূহ সকলোৰে বাবে সহজলভ্য। সেয়ে কোনোবাই ভাৰতীয় জনগাঁথনিৰ প্রজাতিগত উপাদানৰ বিষয়ে আলোচনাত প্রবৃত্ত হ'লেই এই তালিকাখনলৈকে আঙুলিয়াই দিয়ে। গুহৰ প্রজাতিগত তালিকা সম্পর্কে ভুৱন মোহন দাসৰ এযাৰ মন্তব্য উল্লেখযোগ্য— "...নেগ্রিটো নিগ্রো প্রজাতিৰ প্রতিনিধি। প্রায়-অষ্ট্রেলীয়বোৰেই অষ্ট্রেলীয়; ভূমধ্য সাগৰীয়, পশ্চিমীয় প্রশস্তমস্তকী আৰু নার্ডিক ককেছীয়ৰ অন্তর্ভুক্ত। মংগোলীয় লোক আছেই। গুহৰ মতে ভাৰতৰ আদিবাসীবোৰ প্রধানকৈ প্রায়-অষ্ট্রলীয় আৰু মংগোলীয় উপাদানেৰে গঠিত।" এই তালিকাখনৰ আধাৰতেই তলত অসমীয়া মানুহৰ নৃ-গোষ্ঠীয় উপাদান সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হ'ল।

১.৫.১ নৃতাত্ত্বিক দৃষ্টিভংগীৰে অসমত জাতি গঠনৰ স্বৰূপ

বিৰজা শংকৰ গুহৰ প্রজাতিগত তালিকাত থকা প্রথম প্রজাতিটো হ'ল নেগ্রিটো। অসমৰ জনগাঁথনিৰ ক্ষেত্রত কোনো কোনো নৃতত্ত্ববিদে নেগ্রিট প্রজাতিৰ উপাদান সংমিশ্রিত হৈ আছে বুলি মতপোষণ কৰিছিল যদিও সাম্প্রতিক কালত সম্পন্ন

কৰা ৰক্তজিন পৰীক্ষাত প্রমাণ হৈছে যে এই ভূখণ্ডৰ কোনো জনসমষ্টিৰ গাতে নেগ্রিট প্রজাতিৰ উপাদান নাই। নৃ-তত্ত্ববিদ G. Oliver-ৰ মতে "none of the subjects showed any Negritoid characteristis." মূলতঃ বৰ অসমৰ বাসিন্দা নগা জনগোষ্ঠীৰ মাজত দেখা পোৱা কেকোৰা চুলিৰ বৈশিষ্ট্যটোৰ লগতে তেওঁলোকৰ সাংস্কৃতিক জীৱনত দেখা পোৱা দুই এক বৈশিষ্ট্যৰ আধাৰত তেওঁলোকৰ গাত নেগ্রিট উপাদান আছিল বুলি বিবেচনা কৰা হৈছিল।

এই ভূখণ্ডৰ লগতে সমগ্র ভাৰতৰে আদিম অধিবাসীসকল অষ্ট্রেলীয় প্রজাতিৰ আছিল বুলি বিভিন্ন নৃতাত্ত্বিকে মত পোষণ কৰিছে। "অষ্ট্রেলীয়সকল বিভিন্ন নামেৰে পৰিচিত। কোনোৱে এই বিধ লোকৰ নাম দিছে প্রাক্-দ্রাবিড়, কোনোৱে প্রাক্-অষ্ট্রেলীয়, কোনোৱে ভেড্ডীয়, কোনোৱে বা নিষাদ।" নৃতাত্ত্বিকভাৱে অষ্ট্রেলীয় বা অষ্ট্রলয়ড বোলা জনসমষ্টিটোকেই ভাষাতাত্ত্বিকসকলে অষ্ট্রিক বোলে। দুই এক পণ্ডিতে এই ক্ষেত্রত সঠিক সিদ্ধান্ত প্রদান কৰা নাই। ভূৰন মোহন দাসে কৈছে— "অষ্ট্রেলীয় ভাষা কি আছিল সেই বিষয়ে সঠিককৈ একোকে ক'ব নোৱাৰি, কিন্তু অষ্ট্রিক ভাষা আৰু অষ্ট্রেলীয়ৰ মাজত কিবা এটা সম্বন্ধ থকা যেন লাগে।" কিন্তু ঐতিহাসিক ৰমিলা থাপাৰে স্পষ্ট ৰূপে কৈ গৈছে— " Proto Austroloid was the basic element in India population and their speach was of the Austric."

মন কৰিবলগীয়া যে, অসমৰ কোনো জনগোষ্ঠীয়েই অষ্ট্রেলীয় প্রজাতিৰ অন্তর্গত নহয়। অৱশ্যে সাম্প্রতিক কালত হোৱা ৰক্তজিন পৰীক্ষাত নির্ণিত হৈছে— "একালত অসম, উত্তৰ বংগ আৰু আনকি নেপালৰ একাংশলৈকে অষ্ট্রো-এছীয় জনজাতিৰ লোক বিস্তৃত হৈ আছিল। পিছলৈ দক্ষিণ-পূব এছিয়াৰ পৰা অহা এটা প্রব্রজনৰ সোঁতে অন্য ধৰণৰ ৰক্তজিন এওঁলোকৰ মাজত প্রৱেশ কৰালে।" উল্লেখযোগ্য যে এসময়ৰ বৰ অসমৰ বাসিন্দা খাচীয়াসকলৰ ভাষা অষ্ট্রিক যদিও এওঁলোক মূলতঃ মংগোলীয় প্রজাতিৰ হে— "The Khasis who mainly lives in Meghalaya deserve a special treatment, because though they are Mongoloid, they speak Austric language which is somehow associated with the Austroloid." অৱশ্যে খাচীসকল অষ্ট্রলয়ড নে মংগোলয়ড আছিল সেই বিষয়ে সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নাই। তথাপিও এই সমগ্র ভূখণ্ডৰ মংগোলয়ড জনগোষ্ঠীৰ মাজত অষ্ট্রলয়ড উপাদান নিহিত হৈ থকাৰ কাৰণে তেওঁলোকক মংগোলয়ড বুলি বিবেচনা কৰি প্রব্রজন কালতে অষ্ট্রিক ভাষা নিজৰ কৰি ল'লে বুলি পণ্ডিতসকলে মত পোষণ কৰে। প্রসংগক্রমে উল্লেখযোগ্য যে অসমীয়া সমাজ জীৱনৰ বিভিন্ন দিশত অষ্ট্রিকসকলৰ অৱদান অপৰিসীম।

ঊনবিংশ শতিকাত ব্রিটিছসকলে অসমত চাহ খেতি আৰম্ভ কৰে আৰু চাহবাগানত কাম কৰিবলৈ বনুৱা হিচাপে মধ্য ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অজস্র লোক

আনে। এনেদৰে অহা বনুৱাসকল আৰু তেওঁলোকৰ বংশধৰসকলক লৈয়েই অসমৰ চাহ জনগোষ্ঠীটোৰ সৃষ্টি হ'ল। চাহ জনগোষ্ঠীৰ অন্তর্গত কোল, মুণ্ডা, খাৰীয়া, ভূমিজ, চাওতাল আদি লোকসকল অষ্ট্রেলীয় প্রজাতিৰ, তেওঁলোকৰ ভাষাও অষ্ট্রো-এছীয়।

অসমৰ প্রাচীন বাসিন্দাসকলৰ ভিতৰত অষ্ট্রেলীয়সকলৰ পিছতে আমি পাওঁ মংগোলীয়সকলক। প্রাচীন সংস্কৃত গ্রন্থত এওঁলোককে 'কিৰাত' আখ্যা দিয়া হৈছে। কিৰাতসকলৰ প্রথম উল্লেখ পোৱা যায় *যজুর্বেদত*। *বিষ্ণুপুৰাণ* আৰু *মার্কণ্ডেয় পুৰাণত* বর্ণিত আছে যে ভাৰতৰ মধ্য অঞ্চলত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্রসকলে বাস কৰে; পশ্চিম অঞ্চলত যৱনসকলৰ আৰু পূর্ব অঞ্চলত কিৰাতসকলৰ বাস। *মহাভাৰতত* ভীমে দিগ্বিজয় কৰিবলৈ ওলাই গৈ বিদেহ ৰাজ্য পাৰ হৈ সাতজন কিৰাত ৰজাক ৰণত ঘটুওৱা কথা বর্ণনা কৰা হৈছে। সম্ভৱতঃ তেতিয়া সমগ্র পূর্বাঞ্চলতে কিৰাতসকলৰ আধিপত্য আছিল। খ্রীঃ ১৪ শতিকাত গ্রীক ভাষাত ৰচিত নৌবিদ্যাৰ পুথি দি *পেৰিপ্লাছ অব্ দি এৰিথ্রিয়ান ছি*ত 'কিৰহাডি' বুলি এই কিৰাতসকলৰ কথাকে কোৱা হৈছে। সাম্প্রতিক কালত সুনীতি কুমাৰ চেটার্জীয়েও অসমৰ সংস্কৃতিক বহল অর্থত 'কিৰাত জন কৃতি' ৰূপে উল্লেখ কৰি একে নামৰ গ্রন্থত আলোচনা কৰিছে। এই কথাখিনিয়েই সূচায় অসমৰ জনগাঁথনিত মংগোলীয়সকলৰ অৱদান কিমান।

কিংবদন্তি অনুসৰি প্রাচীন কালত প্রাগ্জ্যোতিষত মহীৰঙ্গ দানৱ নামেৰে এজন ৰজাই ৰাজত্ব কৰিছিল। গুৱাহাটীৰ ওচৰৰ মৈৰাং পর্বতৰ নামৰ পৰা মহীৰঙ্গৰ নাম হৈছিল বুলি কোৱা হয়। মৈৰাং শব্দৰ উৎপত্তি বড়ো ভাষাৰ পৰা হৈছে। মহীৰঙ্গৰ পিছত ক্রমে হটকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ আৰু ঘটকাসুৰ ৰজা হৈছিল। মহীৰঙ্গৰ পৰা ঘটকাসুৰলৈ এইসকল ৰজা আছিল কিৰাত অর্থাৎ মংগোলীয়। ঘটকাসুৰক পৰাস্ত কৰি ৰজা নৰকে নিজ ৰাজবংশ প্রতিষ্ঠা কৰে। ৰজা হোৱাৰ পাছতে নৰকে এই ৰাজ্যৰ নাম প্রাগ্জ্যোতিষৰ পৰা কামৰূপলৈ পৰিৱর্তন কৰে।

কিৰাত আখ্যাৰে আখ্যায়িত মংগোলীয় প্রজাতিৰ অন্তর্গত কাৰ্বি, মিছিং, বড়ো, ডিমাছা, গাৰো, ৰাভা, দেউৰী, মেছ, লালুং, সোণোৱাল, হাজং আদি জনজাতিসমূহে প্রাচীন কালৰে পৰা অসমৰ পাহাৰে-ভৈয়ামে বসবাস কৰি আহিছে। একে প্রজাতিৰে টাই-আহোমসকল ত্রয়োদশ শতিকাত ব্রহ্মদেশৰ পৰা অসমলৈ আহে আৰু পৰৱর্তীকালত তেওঁলোকৰ নেতৃত্বতে আটাইবোৰ জাতিৰ মাজত সংযোগ আৰু সমাহৰণৰ যোগেদি অসমীয়া সংস্কৃতিয়ে এক বর্ণাঢ্য ৰূপ লাভ কৰে। ভাষাগোষ্ঠীৰ ফালৰ পৰা এওঁলোক তীব্বত চীনীয় বা চীন তিব্বতীয়। চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ য়াংছিকিয়াং অঞ্চল আৰু হোৱাংহো নদীৰ উৎপত্তি স্থলেই এই জনগোষ্ঠীৰ লোকসকলৰ আদিম বাসস্থান বুলি অনুমান কৰা হয়।

অসমৰ জাতি গঠন প্রক্রিয়াত অংশগ্রহণ কৰা তৃতীয়টো প্রজাতি হ'ল ককেছীয়। এই ককেছীয় প্রজাতিৰ কেইবাটিও উপ-প্রজাতিয়ে বিভিন্ন সময়ত অসমলৈ প্রব্রজিত

হৈছে। ককেছীয় প্রজাতিৰ ঠাল-ঠেঙুলিবোৰ হ'ল— ভূমধ্য সাগৰীয়, পশ্চিম প্রশান্তমস্তকী, ইৰানো-চীথীয় ইত্যাদি।

ককেছীয় প্রজাতিৰ অন্তর্গত ভূমধ্য সাগৰীয় প্রজাতিৰ লোকসকলেই প্রাচীন সিন্ধু সভ্যতা গঢ়ি তুলিছিল। বর্তমান ভাৰতত তেওঁলোকৰ বিস্তাৰ দাক্ষিণাত্যতে বেছি যদিও ভাৰতৰ আন আন ঠাইৰ লগতে উত্তৰ-পূব ভাৰতৰ লোকৰ মাজতো ভূমধ্য সাগৰীয় উপাদান বিদ্যমান। তেওঁলোক ইণ্ডো-দ্রাবিড় নামেৰে পৰিচিত আৰু দ্রাবিড় ভাষা ভাষী। পূর্বতে তেওঁলোকৰ বিস্তাৰ ভাৰতৰ উত্তৰাঞ্চলতো প্রবল আছিল যদিও পৰৱর্তী কালত প্রব্রজন ঘটা ইণ্ডো-আর্যসকলে তেওঁলোকক ভাৰতৰ উত্তৰ অংশৰ পৰা দক্ষিণ অঞ্চললৈ খেদি পঠিয়ালে। এই প্রজাতিৰ লোকসকল কেতিয়া অসমত প্রথমবাৰৰ বাবে প্রৱেশ কৰিলে তাৰ কোনো সঠিক সময়সীমা নিৰূপণ কৰিব নোৱাৰি। উল্লেখ্য যে, ভূমধ্যসাগৰীয়সকলৰো বিভিন্ন প্রকাৰভেদ আছে। তাৰে এটা ঠাল অতি প্রাচীন কালতে এই ভূখণ্ডৰ মাজেদি দক্ষিণ-পূব এছিয়ালৈকে বিস্তৃত হৈ আছিল। নৃতত্ত্ববিদ ইলিয়ট স্মিথে এই ভাগটোক 'কপিল উপ-প্রজাতি' বুলি নামকৰণ কৰিছে। এই সম্পর্কে ভূবন মোহন দাসে মন্তব্য কৰিছে—

> It is not perfectly known at what time the Mediterranean people, a varity of the Caucasoid race entered Assam... ...the Brown Race and existence of Nesiot element in certain populations, a suggestive of Mediterranean migration into this part of the country in avery ancient time. However, it is difficult to ascertain the time. (Das, 2010, pp. 115-116)

অসমত ৰাজত্ব কৰা নৰকাসুৰ ভূমধ্য সাগৰীয় প্রজাতিৰ লোক আছিল আৰু নৰকাসুৰৰ সময়তে অসমলৈ ভূমধ্য সাগৰীয় উপাদান অহাৰ সম্ভাৱনা আছে বুলি বহু পণ্ডিতে মত পোষণ কৰে। অৱশ্যে আন এচাম পণ্ডিতে তেওঁ কিৰাত আছিল বুলিহে মতপোষণ কৰে। প্রফুল্ল মহন্তই তেওঁৰ *জনগোষ্ঠীগত চেতনা ঃ আত্মপ্রতিষ্ঠাৰ প্রশ্ন* নামৰ গ্রন্থখনত নৰক সম্বন্ধে পু�ৰাণসমূহত বর্ণিত আখ্যানটোৰ বিষয়ে বাণীকান্ত কাকতিয়ে তেওঁৰ *পুৰণি কামৰূপৰ ধর্মৰ ধাৰা* (১৯৫৫) নামৰ কিতাপখনত থকা আলোচনাৰ আঁত ধৰি আৰু ৰমিলা থাপাৰ, ডি. ডি. কৌশাম্বী, ৰামচৰণ শর্মা আদিয়ে পু�ৰাকথা সম্পর্কে আৰম্ভ কৰা আধুনিক বিজ্ঞানসম্মত অধ্যয়নৰ প্রসংগ উল্লেখ কৰি পুৰাকথাৰ মাজত লুকাই থকা ঐতিহাসিক সত্যৰ অন্বেষণত ৰত হৈছে। তেওঁ মন্তব্য কৰিছে— "ৰাজ্যভাৰ লোৱাৰ পাছত নৰকে লাহে লাহে নিজ ভাই-ককাই, জ্ঞাতি-কুটুমৰ ওচৰ চাপি যাবলৈ ধৰিলে।" অর্থাৎ নৰক প্রকৃততে কিৰাত আছিল। উল্লেখযোগ্য যে, ভূমধ্য সাগৰীয় প্রজাতিৰ গাত দেখা পোৱা কেতবোৰ উপাদান সাম্প্রতিক কালৰ অসমৰ মানুহৰ মাজতো দেখা যায়; কিন্তু পৰিৱেশ, সংমিশ্রণ আদি নানান কাৰণত সেই লক্ষণবোৰে বিভিন্ন ৰূপ লৈছে। আধুনিক কালত চাহ বনুৱা হিচাপে মধ্য ভাৰতৰ পৰা

প্রব্রজিত হৈ অহা লোকসকলৰ মাজতো ভূমধ্য সাগৰীয় দ্রাবিড় জনগোষ্ঠীৰ বংশধৰ পোৱা যায়।

ককেছীয় প্রজাতিৰ আন এটা ঠাল আলপাইন-আৰ্মেনীয়সকলেও হিমালয়ৰ পাদদেশেৰে আহি অসমত প্রৱেশ কৰিছিল বুলি কনকলাল বৰুৱাই অনুমান কৰে আৰু ভূৱন মোহন দাসে— "ভূমধ্য সাগৰীয়ৰ লগতে আলপাইন-আৰ্মেনীয়ৰ উপাদানৰ অৱস্থিতিও দেখি অহা হৈছে।... ...কিন্তু প্রকৃত আলপাইন-আৰ্মেনীয় উপাদানৰ প্রাবল্য আধুনিক অসমৰ মানুহৰ মাজত কম" বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে, পশ্চিম অঞ্চলৰ পৰিৱৰ্তে উত্তৰ-পূব দিশৰ পৰাও ককেছীয় লোকৰ এটা ঠাল অসমত প্রৱেশ কৰিছিল বুলি বহু পণ্ডিতে মত পোষণ কৰে। এই ক্ষেত্রত তেওঁলোকে মিছিমি, ডফলা, নগা, মণিপুৰীসকলৰ মাজত দেখা পোৱা ককেছীয় উপাদানবোৰলৈ আঙুলিয়াইছে।

ইয়াৰ উপৰি ককেছীয়ৰ অন্তর্গত ইৰানো-চীথীয় নামৰ আন এটা গোষ্ঠীও ভাৰতৰ লগতে অসমলৈও প্রব্রজিত হৈছিল। ভূবন মোহন দাসে এই গোষ্ঠীটোৰ লক্ষণৰ লগত অসমৰ কেইবাটিও জাতিৰ লক্ষণসমূহ বিচাৰ কৰি কৈছে যে— "অসমৰ বিভিন্ন জাতিগোটৰ মাজত ইৰানো-চীথীয় উপাদানৰ প্রাবল্য বেছি যেন অনুমান হয়।"

অসমৰ লগতে সমগ্র ভাৰতবর্ষলৈ প্রব্রজিত হোৱা শেষ ফৈদটো হ'ল আর্যসকল। আর্যসকলৰ প্রব্রজনৰ কাল খ্রীঃ পূঃ ১২০০ শতিকা বুলি অনুমান কৰা হয়। অৱশ্যে বহু বুৰঞ্জীবিদে আর্যসকলক এটা নির্দিষ্ট নৃ-গোষ্ঠী হিচাপে বিবেচনা কৰিব নিবিচাৰে। এই সম্পর্কে ৰমিলা থাপাৰেও কৈ গৈছে —

> Aryan is in fact a linguistic term indicating a speach group of Indo-Europeans origin, and is not an ethnic term. To refer to the coming of Aryan is therefore inaccurate. However this inaccuracy has become so current in historical studies of early India that is would sound unduly pedentic to refer to the Aryans as the Aryan speaking peoples. Their ethnic identity is not known on the basis of Indian evidence. (Thapar,1990, p. 27)

ঠিক সেইদৰে ৰামচৰণ শর্মাই আর্যসকলৰ সম্পর্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতামত বিশ্লেষণ কৰি এক নির্দিষ্ট মতত উপনীত হৈছে যে *ঋগ্বেদত* যি আর্য জনগোষ্ঠীৰ কথা কোৱা হৈছে সিহঁত হয়তো এক নৃ-কুলভুক্ত নাছিল, কিন্তু তেওঁলোকে এক হৈ আছিল এক সাধাৰণ ভাষা আৰু একে ধৰণৰ জীৱন যাত্রাৰ বন্ধনত। এই কথাৰ প্রমাণস্বৰূপে আমি গুহৰ প্রজাতিকৰণ তালিকাখনলৈকে আঙুলিয়াব পাৰোঁ, কাৰণ সেই তালিকাখনতো আর্য নামেৰে কোনো উপ প্রজাতি অন্তর্ভুক্ত হোৱা নাই। সেয়ে আর্যসকলক নৃতাত্ত্বিক দৃষ্টিভংগীৰে বিচাৰ কৰা সম্ভৰ নহয়।

আর্যসকল এক নৃ-গোষ্ঠীসম্ভূত নহয় যদিও তেওঁলোক আছিল উন্নত কৃষি

পদ্ধতিসমৃদ্ধ, সাংগঠনিক শক্তিসম্পন্ন, সহজে সকলোৰে লগত মিলি যাব পৰা, মিলাব পৰা গুণযুক্ত আৰু এখন নতুন সমাজ গঢ়াৰ বাবে অত্যাৱশ্যক বহু উপাদানৰ সমাহাৰেৰে গঠিত এক সংমিশ্রিত জনসমষ্টি। মন কৰিবলগীয়া যে,— আর্যসকলৰ জাতিগত প্রসাৰতকৈ তেওঁলোকৰ উৎপাদন কৌশল আৰু জীৱন যাত্রা পদ্ধতিৰহে (ইয়াৰ ভিতৰত ভাষাকো ধৰিব লাগিব, কাৰণ আদিম লোকে অত্যাৱশ্যকীয় বুলি বিবেচনা কৰা আর্য পূজা পদ্ধতি গ্রহণ কৰাৰ লগে লগে তেওঁলোকৰ উচ্চ ভাব প্রকাশক ভাষাও গ্রহণ কৰিছিল) প্রসাৰ ঘটিছিল। কাৰণ আদিবাসীসকলে আর্যসকলৰ অনুষ্ঠানৰ লগত গভীৰভাৱে জড়িত থকা নতুন উৎপাদনত আহিলাবোৰকো অত্যাৱশ্যকীয় বস্তু বুলি গ্রহণ কৰিছিল।

উন্নত কৃষি কর্মৰ অধিকাৰী, ধাতুবিদ্যাত পাৰদর্শী এই আর্যসকলে ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ বিকাশত এক গুৰুত্বপূর্ণ ভুমিকা গ্রহণ কৰিছিল। এই ক্ষেত্রত ডি. ডি. কৌশাম্বীয়ে কোৱা এযাৰ মন্তব্য উল্লেখযোগ্য— "আর্যসকলে যিহকে শুজা যেন পাইছিল তাকে সংস্পর্শলৈ অহা সকলো লোকৰ পৰা গ্রহণ কৰিছিল। সাধাৰণতে তেওঁলোকৰ দৈহিক আৰু প্রজননমূলক বৈশিষ্ট্য একে বুলিব নোৱাৰি। তেওঁলোকৰ মাজত তুলি লোৱা প্রথা ব্যাপকভাৱে প্রচলিত আছিল আৰু বিভিন্ন ধৰণৰ সংসর্গ আৰু বিজয়ৰ দ্বাৰা আর্য কৰা মানুহৰ লগত তেওঁলোকৰ বিয়া-বাৰু হৈছিল।" সিন্ধু আৰু গঙ্গা উপত্যকাত পশ্চিম বিহাৰ পর্যন্ত আর্যসকলৰ আছিল অখণ্ড বিস্তাৰ; তাৰ পূবফালে বংগ, অসম আদিত বিক্ষিপ্তভাৱে তেওঁলোকে বিস্তাৰ লাভ কৰিছিল। হয়তো সৰু সৰু দলত বিভিন্ন সময়ত আর্যসকল পূবলৈ আগবাঢ়িছিল। কিন্তু কেতিয়াৰে পৰা আর্যসকলে অসমত প্ররেশ কৰিলে তাৰ কোনো সঠিক তথ্য উপলব্ধ নহয়। *কালিকা পুৰাণত* পোৱা যায় যে নৰকে কিৰাতসকলৰ সাগৰৰ পাৰলৈকে খেদি কৰতোয়া আৰু ললিতাকান্তাৰ অন্তর্ৱর্তী অঞ্চলত দ্বিজ (ইণ্ডো-আর্য, ব্রাহ্মণ)সকলক প্রতিষ্ঠা কৰে। অৱশ্যে পৰৱর্তীসময়ত তেওঁ আর্য গোষ্ঠীসম্ভূত ব্রাহ্মণসকলৰ ওপৰত অত্যাচাৰ কৰাৰ বাবে শ্রীকৃষ্ণই আহি তেওঁক বধ কৰি এই ভূখণ্ডত আর্য সভ্যতা প্রতিষ্ঠা কৰে। বর্তমান নৰক এটা বংশৰ নাম বুলি বিশ্বাস কৰাৰ বাবে কোনজন নৰকে এই কার্য সম্পাদন কৰিছিল সেয়া ঠাৱৰ কৰা কঠিন। *মহাভাৰত-ৰামায়ণ* আদিতো প্রাগ্‌জ্যোতিষপুৰৰ নাম উল্লেখ আছে। তাৰ পৰাই অনুমান কৰিব পাৰি যে আর্যসকলে এই ভূখণ্ডৰ কথা জানিছিল। সপ্তম শতিকাত কামৰূপৰ ক্ষত্রিয় ৰজা ভাস্কৰ বর্মনৰ প্রত্নলিপিৰ পৰা জনা যায় যে কামৰূপত ব্রাহ্মণ আৰু ক্ষত্রিয় লোক আছিল। বর্মন বংশৰ আদি ৰজা পুষ্যবর্মনৰ কাল আনুমানিক খ্রীঃ পূঃ ৩য় শতিকা, নিশ্চয় তাৰো পূর্বৰে পৰা কামৰূপলৈ আর্যসকলৰ প্রব্রজন হৈছিল। এই পুৰাকথা তথা ঐতিহাসিক তথ্যসমূহৰ পৰা ধাৰণা হয় যে প্রাক্-ঐতিহাসিক কালতে এই ভূখণ্ডত আর্যসকলে প্ররেশ কৰে। আর্যসকলে সংস্কৃতি গ্রহণ-বর্জনৰ এক প্রক্রিয়াৰে সমগ্র দেশতে নিজৰ স্থিতি সবল কৰি তোলে। এই প্রক্রিয়াটোক 'আর্যীকৰণ' বা 'সংস্কৃতায়ন' বুলি সমালোচক-গৱেষকসকলে অভিহিত কৰিছে। ই এনে এক প্রক্রিয়া "যাৰ দ্বাৰা জনজাতি বা অইন গোষ্ঠীৰ লোকসকলে নিজৰ নীতি-নিয়ম,

বিশ্বাস, আদর্শ আৰু জীৱন ধাৰণৰ পদ্ধতি সলনি কৰি উচ্চ হিন্দুৰ জীৱন যাত্রা গ্রহণ কৰে আৰু সেই পর্যায়লৈ যায়।" এই প্রক্রিয়াটোৰ বাবে জনজাতিসকলৰ কৃষি অর্থনীতি বিশেষভাৱে লাভৱান হৈছিল কিন্তু নব্য হিন্দু হিচাপে তেওঁলোকক সমাজৰ নিম্ন স্তৰতহে স্থান দিয়া হৈছিল। আনহাতে হিন্দু কাঠামোটোৰ মাজত সোমাই পৰাৰ লগে লগে কেতবোৰ শোষণৰ বাট মুকলি হৈ পৰিছিল। আর্যসকলৰ আগমনে বর্ণবাদী ব্যৱস্থাটিও অসমীয়া সমাজ জীৱনৰ অংগ কৰি তুলিলে, অৱশ্যে জাত-পাতৰ লগত পৰিচয় নথকা থলুৱা জনগোষ্ঠীসমূহে সেই বর্ণবাদী ব্যৱস্থাটি গ্রহণ কৰিবলৈ মুঠেই সাজু নাছিল আৰু সেইবাবেই সংঘাত অনিবার্য হৈ পৰিছিল।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে বিভিন্ন সময়ত অসমলৈ ভিন্ ভিন্ নৃ-গোষ্ঠীৰ প্রব্রজন ঘটিছিল। তেওঁলোকৰ মাজত অৱশ্যম্ভাৱীভাৱে সংঘটিত হৈছিল সংঘাত; কিন্তু এটা সময়ত আর্যসকলে নিজৰ প্রভাৱ বৃদ্ধি কৰি আর্যীকৰণ প্রক্রিয়াৰে প্রায় সকলোৰে ওপৰত প্রভাৱ বিস্তাৰ কৰিলে আৰু অসমতো বর্ণবাদী প্রথা আৰম্ভ কৰে। উল্লেখ্য যে, অসমত বসবাস কৰা লোকসকলৰ ভিতৰত মংগোলীয় প্রজাতিৰ লোকৰ সংখ্যাই আটাইতকৈ বেছি যদিও ককেছীয় প্রজাতিৰ লোকৰ সংখ্যাও কম নহয়। কিন্তু যুগ যুগ ধৰি পৰিৱেশ আৰু সংমিশ্রণৰ প্রক্রিয়াই প্রজাতিসমূহক এনেভাৱে সানমিহলি কৰি পেলাইছে যে বিশুদ্ধ কোনো এক প্রজাতিৰ লোক নাই বুলিবই পাৰি। ভূৱন মোহন দাসৰ ভাষাৰে ক'ব পাৰি—

> Thus, a glance at the racial elements in the populations of Assam reveals that Assam is a meeting place of various ethnic stocks having diverse socio-cultural backgrounds who came to this part of the country in different times from different directions. In this course of times these populations contributeed their respective shares towards the growth and development of a composite Assamese people and culture. (Das, 2010, p. 130)

এই কথাৰ আধাৰত ধাৰণা কৰিব পাৰি যে অসমৰ জনগাঁথনিও এই কেউটা প্রজাতীয় উপাদানেৰেই গঠিত। অসমীয়া জাতি-গঠন প্রক্রিয়াত তিনিটা মুখ্য প্রজাতিৰ লোকে অংশগ্রহণ কৰিছে। সেইকেইটা হ'ল— অষ্ট্রেলীয়, ককেছীয় আৰু মংগোলীয়। ভাৰতবর্ষত অষ্ট্রেলীয়ক প্রায়-অষ্ট্রেলীয়, প্রাক্-দ্রাবিড়, নিষাদ, ভেড্ডিড আদি বিভিন্ন নামেৰে জনা যায়। কোনো কোনো নৃতাত্ত্বিকে আকৌ অষ্ট্রেলীয়ক মুখ্য প্রজাতি বুলি স্বীকৃতি দিব নোখোজে; তেওঁলোকে ইয়াক ককেছীয়ৰ এটা প্রকাৰ বুলি গণ্য কৰি প্রত্ন-ককেছীয় বুলি অভিহিত কৰে। অসমীয়া জাতি প্রধানকৈ ককেছীয় প্রজাতিৰ লোকৰ দ্বাৰা গঠিত। ইয়াৰ লগতে মংগোলীয় প্রজাতিৰ বিভিন্ন প্রকাৰ মিলিত হৈছে। এইখিনিতে এটা কথা মন কৰিব লাগে যে অত্যন্ত সীমিত গোষ্ঠীগত জীৱন-যাপন কৰা জনসমষ্টিৰ

বাহিৰে বাকী সকলোবোৰ সমষ্টিৰে মাজত তেজৰ সংমিশ্রণ ঘটাৰ ফলত মূল নৃ-গোষ্ঠীসমূহৰ নৃতাত্ত্বিক উপাদানসমূহ স্থিৰ অৱস্থাত ক'তো পাবলৈ নাই। অসমীয়া জাতিটো সেইবাবে ঘাইকৈ বর্ণসংকৰ ৰূপতেই পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভাৰতীয় নৃ-গোষ্ঠীৰ প্রজাতিকৰণৰ তালিকাসমূহৰ ভিতৰত কোনখন তালিকা আটাইতকৈ জনপ্রিয় তথা স্বীকৃত? কাৰণ দর্শাৱক। (৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ আর্যসকলক একে নৃ-গোষ্ঠীসম্ভূত জাতি বুলি বিবেচনা কৰা হয়নে?

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমক আগতে কামৰূপ আৰু প্রাগ্‌জ্যোতিষপুৰ বুলিহে কোৱা হৈছিল। 'অসম' নামটো আহোমসকলৰ ৰাজত্বৰ পিছতহে সৃষ্টি হৈছে। 'প্রাগ্‌জ্যোতিষ' নামটো পুৰণি কাব্য, মহাকাব্য, প্রাচীন ইতিহাস, ভ্রমণকাৰীৰ টোকা, প্রত্নতাত্ত্বিক নিদর্শন আদিত উল্লেখ আছে। ভাৰতীয় কিংবদন্তি মতে মহাদেৱৰ ক্রোধানলত ভস্ম হৈ এইখন দেশতে কাম ভাৱৰ অধিপতি দেৱতা কামদেৱে পুনৰ জীৱন লাভ কৰা আখ্যানৰ ভিত্তিত ৰাজ্যখনৰ নাম 'কামৰূপ' হ'ল। অসম ব্রিটিছৰ অধীনলৈ যোৱাৰ পিছৰপৰা এই ভূমিখণ্ডক 'অসম' আৰু ইয়াত বাস কৰা অধিবাসীসকলক 'অসমীয়া' বোলা হ'ল। অধ্যায়টোত এই নাম কেইটাৰ সৃষ্টি সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হৈছে ।
- অসমত বহু জনগোষ্ঠীৰ সংমিশ্রণৰ ফলতেই এটি বৃহৎ অসমীয়া জাতিৰ সৃষ্টি হৈছিল। অসমীয়া এটা সুকীয়া নৃ-গোষ্ঠী নহয়, অসমীয়া এটা জাতিসত্তাৰ নাম। প্রাক্-ঔপনিবেশিক যুগত অসমীয়া বুলি কোনো জাতি/জাতিসত্তা নাছিল; কিন্তু অসমীয়া জাতিসত্তা গঠনৰ আধাৰবোৰ প্রাক্-ঔপনিবেশিক যুগতেই এক ঐতিহাসিক প্রক্রিয়াৰে গঢ় লৈ উঠিছিল।

- আৱয়ৱিক বৈশিষ্ট্য আৰু গাৰ বৰণৰ ভেটিত পৃথিৱীৰ মানুহক ককেছীয়, মংগোলীয়, নেগ্রিটো আৰু অষ্ট্রেলীয়— এই চাৰিটা প্রধান নৃ-গোষ্ঠীত বিভক্ত কৰা হৈছে। নৃতাত্ত্বিক দৃষ্টিৰে অসমীয়া জাতি গঠন প্রক্রিয়াত অষ্ট্রেলীয়, মংগোলীয় আৰু ককেছীয় এই তিনি মুখ্য প্রজাতিৰ লোকে অংশগ্রহণ কৰিছে। এই বিষয়েও অধ্যায়টোত বিস্তৃতভাৱে আলোচনা সন্নিৱিষ্ট কৰা হৈছে।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) অসম সাহিত্য সভা (১৯৮৭); *অসমীয়া জাতিৰ ইতিবৃত্ত;* পাঠশালা ঃ সাহিত্য সভাৰ পাঠশালা অধিৱেশন।

২) আচার্য্য, নগেন্দ্র নাথ (১৯৬৮); *অসমৰ ঐতিহাসিক ভূচিত্রাৱলী;* গুৱাহাটী।

৩) কাকতি, বাণীকান্ত (২০০৬); *বাণীকান্ত ৰচনাৱলী, অসমীয়া খণ্ড;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৪) কৌশাম্বী, ডি. ডি. (১৯৮১); *ভাৰতৰ ইতিহাস;* (ভট্টাচার্য, বীৰেন্দ্র কুমাৰৰ অনুঃ) গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ (প্রথম প্রকাশ ১৯৫৬) ।

৫) খাৰঘৰীয়া, যুগল (সম্পা.), (২০০৯); *অসমীয়া জনপ্রৱাহৰ সংস্কৃতি;* শিৱসাগৰ ঃ জয়সাগৰ সাহিত্য সভা ।

৬) গগৈ, লীলা, (২০০৬); *অসমৰ সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৭) গগৈ, হীৰেন (২০০৪); *অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত;* গুৱাহাটী ঃ অসম প্রকাশন ন্যাস।

৮) গেইট, এডবার্ড (১৯৯১); *অসম বুৰঞ্জী;* (বেগম, চেনেহীৰ অনুঃ) গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল (প্রথম প্রকাশ ১৯০৬)।

৯) চলিহা, সদানন্দ (১৯৯১); 'অসমৰ জনগোষ্ঠীত মঙ্গোলীয় উপাদান'; গোস্বামী, প্রকাশ আৰু চৌধুৰী, সতীশ চন্দ্র (সম্পা.)ৰ *বুৰঞ্জীৰ প্রকৃতি আৰু স্বৰূপ* (পৃ. ৫০-৫৬); যোৱহাট ঃ অসম সাহিত্য সভা।

১০) ঠাকুৰ, নগেন (১৯৮৩); *ভাৰতীয় ভাষাৰ পৰিচয়;* গোলাঘাট ঃ ভাৰতী বুক ষ্টল।

১১) দলৈ, ভট্টাচার্য্য, শ্রীচক্রেশ্বৰ (সানুবাদম) (১৯৭২); *যোগিনীতন্ত্রম;* গুৱাহাটী ঃ দত্তবৰুৱা এণ্ড কোম্পানী।

১২) দাস, ভুবন মোহন (২০০৫); 'জনগোষ্ঠীত প্রজাতীয় উপাদান'; অসম সাহিত্য সভাৰ *অসমীয়া জাতিৰ ইতিহাস* (পৃ. ৯-৩০); যোৱহাট ঃ অসম সাহিত্য সভা।

১৩) বৰা, দিলীপ (২০০৮); *সমাজ সাহিত্য আৰু সংহতি;* গুৱাহাটী ঃ ভৱানী অফচেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্রাঃ লিঃ।

১৪) বর্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড*; অসম ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১৫) মহন্ত, প্রফুল্ল (২০০৯); *জনগোষ্ঠীগত চেতনা ঃ আত্মপ্রতিষ্ঠাৰ প্রশ্ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৬) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ অসমীয়া বিভাগ, প্রাগ্জ্যোতিষ মহাবিদ্যালয়।

১৭) ৰাভা, বিষ্ণু (১৯৮২); *বিষ্ণু ৰাভাৰ ৰচনাৱলী, প্রথম খণ্ড;* নলবাৰী ঃ বিষ্ণু ৰাভা সোঁৱৰণী গৱেষণা সমিতি।

১৮) সিং, মনজিৎ আৰু নাথ, সুৰেশ কুমাৰ (সম্পাঃ), (২০০৯); *সাহিত্য সংস্কৃতি আৰু অন্যান্য প্রসঙ্গ;* গুৱাহাটী ঃ আপ্পুকাছ (Association of Past and Present Office - Bearers of Cotton College Union Society - APPOCCUS)।

ইংৰাজী গ্রন্থ ঃ

১৯) Baruah, K. L. (1978). *Early History of Kamrupa*. New Delhi: Sahitya Academy.

২০) Chatterji, S. K. (1974). *Kirat Jana Kriti*. Kolkata: The Asiatic Society.

২১) Chatterji, S. K. (1970). *The Place of Assam in the History and Civilisation of India*. Guwahati: Gauhati University.

২২) Das, B. M. (2010). *The People of Assam*. New Delhi: Gyan Publishing House.

২৩) Dordrecht (1724). François Valentijn's *Oud en nieuwOost-Indien*. Natherland: s.l.

২৪) Kakati, B. K. (1941). *Assamese : Its Formation and Development.* Shillong: Government of Assam.

২৫) Kosambi, D. D. (1965).*The Culture and Civilisation of Ancient India in Historical Outline*. London: Routledge & Kegan Paul.

২৬) Lenski, G. E. (1966). *Power and Privilege: A Theory of Social Satisfaction.* New York: McGraw Hills.

২৭) Nath, R. (1949). *The Background of Assamese Culture*. Shillong. s.n

২৮) Olivier, G. (1958). 'Physical Anthropology of the Nagas of Assam', *Man in India,* 38.

২৯) Thapar, R. (1990). *A History of India* (Vol 1). Penguin Books. s.n.

৩০) Das, M. M. (1994). *Ethnic Elements in North East India. In : Bulletia of the Department of Anthropology,* Dibrugarh University. Vol. 22 pg 1-12. Dibrugarh: Registrar, Dibrugarh University.



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অষ্ট্ৰিক (খ) *পেৰিপ্লাছ অব্ দি এৰিথ্ৰিয়ান ছি*
(গ) হিউ-ৱেন-চাঙে (ঘ) আহোম

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ফৰাছী বিপ্লৱৰ পিছৰ পৰাহে আধুনিক অৰ্থত জাতিৰ ধাৰণা গঢ় লয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আৰ্যীকৰণৰ মাজেদি বিভিন্ন মংগোলীয় জনগোষ্ঠীৰ সংস্কৃতিক আৰ্য-হিন্দু সুঁতিৰ মাজত উদাৰভাৱে সামৰি লোৱা হৈছিল। এনেদৰে হিন্দু হোৱা জনগোষ্ঠী সমূহক অসমীয়া জাতিসত্তাৰ গুৰুত্বপূৰ্ণ উপাদান ৰূপে বিবেচনা কৰা হৈছিল। শংকৰদেৱৰ ভক্তিধৰ্ম 'অসমীয়া জাতি'ৰ ধাৰণাৰ এটা প্ৰধান আধাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় নৃ-গোষ্ঠী সম্পৰ্কে কৰা প্ৰজাতিকৰণৰ তালিকাসমূহৰ ভিতৰত বিৰজা শংকৰ গুহৰ প্ৰজাতিকৰণ তালিকাখনেই আটাইতকৈ জনপ্ৰিয় তথা স্বীকৃত; কাৰণ এই তালিকাখন যিবিলাক তথ্যৰ আধাৰত লিপিবদ্ধ কৰা হৈছে সেই তথ্যসমূহ সকলোৰে বাবে সহজলভ্য। সেয়ে কোনোবাই ভাৰতীয় জনগাঁথনিৰ প্ৰজাতিগত উপাদানৰ বিষয়ে আলোচনাত প্ৰবৃত্ত হ'লেই এই তালিকাখনলৈকে আঙুলিয়াই দিয়ে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অসমৰ পৌৰাণিক নাম কি আছিল?

(খ) অৰুণাচল প্ৰদেশ কোন চনত পূৰ্ণ পৰ্যায়ৰ ৰাজ্য হিচাপে স্বীকৃত হয়?

(গ) অসমৰ চাহ বাগিচাৰ বনুৱাসকল কোন নৃ-গোষ্ঠীয় প্রজাতিৰ অন্তর্গত?

(ঘ) পৃথিৱীৰ মানুহক কেইটা প্রধান নৃ-গোষ্ঠীত বিভক্ত কৰা হৈছে আৰু কি কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'অসম' নামৰ উৎপত্তি সম্বন্ধে এটি চমু টোকা লিখক।

প্রশ্ন ২ ঃ বর্তমান অসমৰ ভৌগোলিক অৱস্থান সম্পর্কে বহলাই আলোচনা কৰক?

প্রশ্ন ৩ ঃ অসমীয়া জাতি বুলিলে কি বুজে? ইয়াৰ স্বৰূপ ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ আৰু অসম নামৰ উৎপত্তি সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ অসমীয়া জাতি-গঠন প্রক্রিয়া সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ ভাৰতীয় মানুহৰ মাজত থকা নৃগোষ্ঠীয় প্রজাতিসমূহ কি কি? ইয়াৰ আধাৰত অসমৰ জাতি-জনজাতিৰ এটি নৃতাত্ত্বিক বিশ্লেষণ আগ বঢ়াওক।

*** ***** ***